# অসম আদিত্য

৩১ আহিন, ১৯৪৭ শক ■ শনিবাৰ, ১৮ অক্টোবৰ, ২০২৫ ■ Asom Aditya, Dibrugarh, Saturday, October 18, 2025 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহা

…ত কাতি মাহৰ
…তিথিত হিন্দু সকল,
…, শিখ সকল, আৰু কিছু বৌদ্ধ সকলে এই উৎসৱ
…। এই উৎসৱ অত্যন্ত জনপ্ৰিয় আৰু ই 'অন্ধকাৰৰ
…হৰৰ, বেয়াৰ বিৰুদ্ধে ভালৰ আৰু অজ্ঞানৰ বিৰুদ্ধে
…য়'ক প্ৰতিনিধিত্ব কৰে। পোহৰে জ্ঞান আৰু বিবেকক
…ালীৰ সময়ত ঘৰ-দুৱাৰ, দোকান-পোহৰ, কাৰ্যালয়,
…দি নানান আলোকসজ্জাৰে আলোকিত কৰা হয়।
…ীতি-নীতি পাঁচদিনীয়াকৈ চলে যদিও উৎসৱৰ তৃতীয়
…িনপঞ্জীমতে বছৰৰ আটাইতকৈ অন্ধকাৰ দিন কাতি
…স্যা তিথিত মূল দেৱালী পালন কৰা হয়। দেৱালীৰ
…লাৰে সুন্দৰ সাজ পিন্ধি ঘৰৰ ভিতৰে বাহিৰে
… মাটিৰ চাকি, মম, আলোকসজ্জাৰে আলোকিত
…ৰ ভাৰতত কেইদিনা ধন আৰু সম্পত্তিৰ অধিষ্ঠাত্ৰী
…ৰ পূজা-অৰ্চনা কৰা হয়। ইয়াৰ লগতে বোমা-ফটকা
…ন্দ কৰে। দীপান্বিতাৰ সময়ত ওচৰ-চুবুৰীয়া আৰু
…কলে মিঠাই আৰু উপহাৰ আদান-প্ৰদানৰো নিয়ম
… এইবাৰ এই উছাহ সমূলি নাথাকিব। জুবিন গাৰ্গ
…বেদনাত মানুহৰ শৰীৰ ভালে থাকিলেও মন ভাল
…ক উদ্‌যাপনৰ কথাই নাহে। সকলোলৈকে এই
…পাৱলীৰ অশেষ শুভকামনা জ্ঞাপন কৰিলোঁ।

# …ণ কৰ্মশালা

… বিজ্ঞান বিভাগৰ প্ৰাধ্যাপক ড০ সঞ্জয় কুমাৰ সিং
… ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ চেণ্টাৰ ফৰ মেনেজমেণ্ট
…জৰ সহকাৰী অধ্যাপক ড০ আৰ্শ্বীদ ছুছেইন। মুঠ
… গৱাকী শিক্ষক তথা গৱেষকে অংশগ্ৰহণ কৰা
…ালাটোৰ সামৰণিত অংশগ্ৰহণকাৰীসকলৰ পৰা
…া ইতিবাচক সঁহাৰিয়ে সমলব্যক্তিসকলৰ লগতে
…ক্তাসকলকো উৎসাহিত কৰে। কৰ্মশালাখনৰ
…কৰ দায়িত্ব পালন কৰে মহাবিদ্যালয়খনৰ অধ্যাপক
… ড০ নিতুমণি শইকীয়া, ড০ পৰাগজ্যোতি চুতীয়া
…ড০ আপূৰ্ব …

# কানৈ কলেজত 'এণ্টি ৰেগিং কোষ'ৰ প'ষ্টাৰ, শ্ল'গান লিখন প্ৰতিযোগিতাৰ বিজয়ীক বঁটা বিতৰণ




**ষ্টাফ ৰিপ'ৰ্টাৰ, ১৭ অক্টোবৰ :** ঐতিহ্যমণ্ডিত ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ (স্বায়ত্তশাসিত) এণ্টি ৰেগিং কোষে মহাবিদ্যালয়খন ৰেগিং শূন্য কৰি ৰখাত বিশেষ ভূমিকা পালন কৰি আহিছে। প্ৰতি বছৰে মহাবিদ্যালয়খনত ৰেগিং বিৰোধী সজাগতা সভা অনুষ্ঠিত কৰাৰ উপৰি এণ্টি ৰেগিং সপ্তাহ উদ্‌যাপন কৰি আহিছে। এই পৰিপ্ৰেক্ষিতত শ্ল'গান লিখন, প'ষ্টাৰ অংকন প্ৰতিযোগিতা আদিৰ লগতে ছাত্ৰ-ছাত্ৰীসকলে বাটৰ নাট প্ৰদৰ্শন কৰি আহিছে। শেহতীয়াভাৱে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ শিক্ষাতত্ত্ব বিভাগৰ সহকাৰী অধ্যাপক তথা 'বিদ্যা দ্যা লিভিং স্কুল'ৰ প্ৰতিষ্ঠাপক ড০ প্ৰাঞ্জল বুঢ়াগোহাঁয়ে 'কৃতজ্ঞতা' শীৰ্ষক এক মননশীল বক্তৃতা প্ৰদান কৰে। অনলাইন শ্ল'গান লিখন আৰু প'ষ্টাৰ অংকন প্ৰতিযোগিতাৰ বঁটা বিতৰণী অনুষ্ঠানত বিজয়ীসকলক বঁটা প্ৰদান কৰি আজি মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ শশীকান্ত শইকীয়াই ছাত্ৰ-ছাত্ৰীসকলৰ মাজত লুকাই থকা সুপ্ত প্ৰতিভাক জাগ্ৰত কৰিবৰ বাবে এণ্টি ৰেগিং কোষে গ্ৰহণ কৰা পদক্ষেপক ভূয়সী প্ৰশংসা কৰাৰ লগতে বিজয়ী ছাত্ৰ-ছাত্ৰীসকলক শুভেচ্ছা জ্ঞাপন কৰে আৰু অনাগত দিনত আৰু অধিক আগুৱাই যোৱাৰ বাবে আশীৰ্বাদ প্ৰদান কৰে। অধ্যক্ষগৰাকীয়ে লগতে ছাত্ৰ-ছাত্ৰীসকলক ৰেগিঙৰ দৰে সামাজিক ব্যাধিত আক্ৰান্ত নহৈ সমাজৰ বিভিন্ন গঠনমূলক কামত ব্ৰতী হৈ বিশ্বত নিজৰ লগতে দেশৰ নাম আগুৱাই নিবলৈ আহ্বান জনায়। বঁটা প্ৰদান অনুষ্ঠানটিত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি অসম আদিত্য কাকতৰ সম্পাদক মনজিৎ বৰাই বিজয়ীসকলক বঁটা প্ৰদান কৰাৰ লগতে এক শুভেচ্ছামূলক বক্তৃতা প্ৰদান কৰে। গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটিত মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড০ পাৰ্থ গাংগুলী, এণ্টি ৰেগিং কোষৰ অধ্যক্ষ ড০ মৰমী তালুকদাৰ, শৈক্ষিক পৰিষদৰ সদস্য সচিব ড০ জ্যোতিপ্ৰসাদ ফুকন, এণ্টি ৰেগিং কোষৰ সক্ৰিয় সদস্য অধ্যাপক ৰাজীৱলোচন বৰাকে প্ৰমুখ্য কৰি ভালেকেইজন অধ্যাপক-অধ্যাপিকা আৰু ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। অনলাইন মাধ্যমত অনুষ্ঠিত প্ৰতিযোগিতাখনিৰ বহুসংখ্যক প্ৰতিযোগীৰ মাজত নৃতত্ত্ব বিভাগৰ জিজ্ঞাসা কোচে সৃজনীমূলক প'ষ্টাৰ অংকনত বিশেষ বঁটা, শ্ল'গান লিখন প্ৰতিযোগিতাত উদ্ভিদ বিজ্ঞান বিভাগৰ তুষাৰ ঘৰফলীয়াই প্ৰথম, দৰ্শন বিভাগৰ বন্দিতা পাদুনে দ্বিতীয়, ৰসায়ন বিজ্ঞান বিভাগৰ নন্দিতা দাস আৰু ইংৰাজী বিভাগৰ অংশুমান গগৈয়ে যুটীয়াভাৱে তৃতীয় পুৰস্কাৰ লাভ কৰে।

# নাহৰৰ দেশত গৌৰৱৰ দিন উদ্‌যাপন

জুবিন গাৰ্গ আৰু গৌৰৱ গগৈৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলনেৰে …